**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-10-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জন্মজয়ন্তী শ্ৰীলংকাৰ ৰাজধানী কলম্বোতো পালন কৰা হয়। মহাপুৰুষজনাৰ জন্মজয়ন্তীৰ লগত সংগতি ৰাখি কলম্বোত থকা ভাৰতৰ উচ্চায়ুক্তৰ কাৰ্যালয়ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বৰগীত পৰিৱেশন কৰা হয়। স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ অধ্যাপক অংকুৰণ দত্তই এই অনুষ্ঠানৰ তদাৰক কৰে। কলম্বোত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মজয়ন্তী পালন কৰিবলৈ পাই অধ্যাপক অংকুৰণ দত্তই নিজকে গৌৰৱান্বিত বুলি কয়। উল্লেখযোগ্য যে কলম্বোত প্ৰথমবাৰৰ বাবে বিদেশী ভাষাত বৰগীত পৰিৱেশন কৰা বুলি শ্ৰী দত্তই প্ৰকাশ কৰে। সিংহলী ভাষালৈ মহাপুৰুষজনাৰ এটা বৰগীত অনুবাদ কৰি পৰিৱেশন কৰে।

০০০০০০

মৰিগাঁও জিলাৰ জৈৱ বৈচিত্ৰ ক্ষেত্ৰ পবিতৰা অভয়াৰণ্য আজি পুৰা পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আনুষ্ঠানিকভাৱে মুকলি কৰিবলগীয়া অনুষ্ঠানত স্থানীয় বিধায়ক তথা জলসম্পদ আৰু জনসংযোগ মন্ত্ৰী পীযূষ হাজৰিকা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। পৃথিৱীৰ ভিতৰতে আটাইতকৈ কম আয়তনত সৰ্বাধিক গঁড় থকা অভয়াৰণ্যখন চাবলৈ ইতিমধ্যে দেশী-বিদেশী পৰ্যটক উপস্থিত হৈছে।

০০০০০০

আজিৰে পৰা ৩৬ সংখ্যক মৰিগাঁও জিলা দিৱস দুদিনীয়া কাৰ্যসূচী মৰিগাঁও জিলা সদৰত আৰম্ভ হৈছে। মৰিগাঁও জিলা আয়ুক্ত আৰু জিলাখনৰ বিশিষ্ট ব্যক্তিসকলে পুৰা পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি দুপৰীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। এই বিষয়ে বিশদভাৱে জনাইছে আমাৰ মৰিগাঁৱৰ সংবাদদাতা ডালিম ফুকনে -

**ভইচ কাষ্ট**

০০০০০০

চলচিত্ৰ নিৰ্মাতা ৰীমা দাসৰ ভিলেজ ৰকষ্টাৰ-২ ছবিখনে দক্ষিণ কোৰিয়াৰ বুশ্বান চহৰত অনুষ্ঠিত ২৯ সংখ্যক আন্তঃৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱত শ্ৰেষ্ঠ ছবিৰ শিতানত বিশেষ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। ভাৰতীয় ফিচাৰ ফিল্ম হিচাপে মহোৎসৱত ছবিখনে কিম জিছিঅ'ক বঁটা লাভ কৰে। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত পুনৰ সফলতা লাভ কৰি ছবি নিৰ্মাতা ৰীমা দাসে কয় যে, এছিয়ান চিনেমাৰ উৎকৰ্ষ সাধনৰ বাবে জীৱন উৎসৰ্গা কৰা এগৰাকী ব্যক্তিৰ সন্মানাৰ্থে দিয়া কিম জিছিঅ'ক বঁটা লাভ কৰাটো তেওঁৰ বাবে সঁচাকৈয়ে সৌভাগ্যৰ কথা। উল্লেখযোগ্য যে জিছিঅ'ক প্ৰতিযোগিতা শিতানত নিৰ্বাচিত হোৱা ৮খন ছবিৰ ভিতৰত একমাত্ৰ ভাৰতীয় ফিচাৰ ফিল্ম হিচাপে ভিলেজ ৰকষ্টাৰ-২ ছবিখন চিহ্নিত হৈছিল। ছবিখন ইতিমধ্যে মামী মুম্বাই ফিল্ম ফেষ্টিভেল ২০২৪ত দক্ষিণ এছিয়া

প্ৰতিযোগিতাৰ শিতানত প্ৰদৰ্শন কৰা হৈছে। ৰীমা দাসৰ প্ৰযোজনাৰে নিৰ্মাণ কৰা ছবিখনত ভনিতা দাস, বাসন্তী দাস, জুনমণি বড়ো, বলোৰাম দাস আৰু মানবেন্দ্ৰ দাসে অভিনয় কৰিছে।

০০০০০০

ৰাজ্যৰ ১২৯ খন বিল পুনৰ উদ্ধাৰ আৰু উজ্জীৱিত কৰাৰ বাবে ৭৯৬ কোটি টকা ব্যয় সাপেক্ষ এখন আঁচনি প্ৰস্তুত কৰা হৈছে। এই আঁচনিখনে তিনি হাজাৰ ৮০০ হেক্টৰ ভূমি সামৰি ল'ব। ৰাজ্যৰ বিলসমূহ পুনৰ উজ্জীৱিত কৰি বান সমস্যাৰ মোকাবিলা কৰাৰ এক অভিলাষী আঁচনি গ্ৰহণ কৰা হৈছে। এই আঁচনিখনৰ আন এটা উদ্দেশ্য হৈছে ৰাজ্যৰ মাছৰ উৎপাদন বৃদ্ধি কৰা। এই আঁচনিৰ অধীনত ইতিমধ্যে ১৯০ খন বিল বাচনি কৰা হৈছে যদিও প্ৰথম পৰ্যায়ত ১২৯ খন বিলক আঁচনিখনে সামৰি ল'ব। বিলসমূহত খনন চলাই পানীধাৰণ ক্ষমতা বৃদ্ধি কৰি উজ্জীৱিত কৰাৰ পৰিকল্পনা কৰা হৈছে।

০০০০০০

আকাশবাণী গুৱাহাটী যুৱবাণীৰ সংগীত শিল্পী হিচাপে স্বীকৃতিৰ বাবে অফলাইন আবেদনৰ ব্যৱস্থা মুকলি কৰা হৈছে। অসমীয়া আধুনীক গীত, কামৰূপী আৰু গোৱালপৰীয়া লোকগীত, বৰগীত ভজন, গজল, খেয়াল, ৰবীন্দ্ৰ সংগীত, বাদ্যসংগীত আৰু লোক বাদ্য সংগীত শিতানৰ একক শাখাত আৰু দলীয় শাখাত জিকিৰ-জাৰী, বিহুগীত, টোকাৰী গীত, দিহানামত ইচ্ছুক প্ৰাৰ্থীয়ে আবেদন কৰিব পাৰিব। উল্লেখযোগ্য যে দলীয় শাখাত বাদ্য শিল্পীসহ ৫ ৰ পৰা ৮ জন সদস্যহে থাকিব পাৰিব তথা দলৰ সদস্যসমূহৰ ফটো সংলগ্ন কৰি সকলোৰে নাম উল্লেখ কৰিব লাগিব। আবেদনকাৰীয়ে আবেদন প্ৰ-পত্ৰ, অনলাইন মাচুল পৰিশোধৰ বাবে যাবতীয় তথ্য আৰু নিয়মাৱলী আকাশবাণী গুৱাহাটী ফেচবুক পেজ এ আই আৰ গুৱাহাটীৰ পৰা ডাউলনোড কৰিব পাৰিব অথবা আকাশবাণী গুৱাহাটীৰ অভ্যৰ্থনা কক্ষৰ পৰা সংগ্ৰহ কৰিব পাৰিব। উল্লেখযোগ্য যে, আবেদন প্ৰ-পত্ৰ পূৰ কৰি ২৫ অক্টোবৰৰ ভিতৰত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অভ্যৰ্থনাকক্ষত জমা দিব লাগিব।

০০০০০০

সমাপ্ত